# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-March-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

———————————————————

## HEADLINES
::::::::::::::::::

১। নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ লগে লগে ৰাজ্যত মনোনয়নৰ প্ৰক্ৰিয়া আৰম্ভ।

২। বিধানসভা নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহৰ কঠোৰ নীতি-নিৰ্দেশনা জাৰি।

৩। ৰাজ্যৰ আৰক্ষী প্ৰশাসনত ব্যাপক সাল-সলনি। চাৰিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বদলি।

৪। চি পি আই এম দলৰ দুটা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা।

**আৰু**

৫। দেৱব্ৰত দাসক অসমীয়া ভাষাত আৰু সাহাইছুলি ব্ৰহ্মলৈ ২০২৫ বৰ্ষৰ সাহিত্য একাডেমী বঁটা।

ooooo

অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে ৰাজ্যখনত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজপত্ৰিত অধিসূচনা জাৰি হোৱা বুলি আজি ঘোষণা কৰে। ইয়াৰ লগে লগে ৰাজ্যত মনোনয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ১২৬ টা সমষ্টিৰ বাবে মনোনয়ন দাখিল অন্তিম দিন অহা ২৩ মাৰ্চ। সমষ্টিসমূহৰ ভিতৰত ৯টা অনুসূচীত জাতিৰ বাবে আৰু ১৯ টা অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত কৰা হৈছে বুলি শ্ৰী গোৱেলে সংবাদমেলত প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যৰ ৩১ হাজাৰ ৪৮৬ টা ভোটকেন্দ্ৰত দুই কোটি ৫০ লাখ ২১ হাজাৰ ৪১৩ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। এই ভোটগ্ৰহণত এশ শতাংশ ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। ভোটগ্ৰহণ নিয়াৰিকৈ চলাই নিয়াৰ বাবে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ২০০টা কোম্পানী ইতিমধ্যে ৰাজ্যত উপস্থিত হৈছে আৰু এই সপ্তাহতে কেইবাটাও কোম্পানী আহি পাব বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। দলগাঁও সমষ্টিত সৰ্বাধিক সংখ্যক আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত আমৰি সষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী গোৱোলে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথিপত্ৰসহ কেন্দ্ৰলৈ গৈ সকলোকে ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়।

***(বাইট ঃ গোৱেল)***

ইয়াৰ আগেয়ে কালি দেশৰ নিৰ্বাচন আয়োগে অসম, কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগত হ'বলগীয়া নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে ৰাজ্যকেইখনত নিৰ্বাচনী আৰ্হি আচৰণবিধি বলৱৎ হৈছে। অসম, কেৰালাম আৰু পুডুচেৰীত অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ লগতে তামিলনাডুত ২৩ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মনোনয়ন দাখিলৰ অন্তিম দিন অহা ২৩ মাৰ্চ ধাৰ্য কৰা হৈছে। ২৪ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ২৬ মাৰ্চ হ'ব মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

উল্লেখযোগ্য যে, অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত, পশ্চিমবংগৰ ২৯৪ জনীয়া বিধানসভাৰ কাৰ্যকাল ৭ মে'ত আৰু কেৰালামৰ ১৪০ জনীয়া বিধানসভাৰ কাৰ্যকাল ২৩ মে'ত অন্ত পৰিব। তামিলনাডুত ২৩৪ জন সদস্যৰ বিধানসভাৰ কাৰ্যকাল অহা ১০ মে'ত আৰু পুডুচেৰীৰ ৩০ জনীয়া বিধানসভাৰ কাৰ্যকাল ১৫ জুনত অন্ত পৰিব।

ooooo

আসন্ন বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতেই ৰাজ্যৰ কেইবাখনো জিলাৰ আয়ুক্ত তথা নিৰ্বাচনী বিষয়াই আজি সকলো বিভাগৰ মুৰব্বী তথা খণ্ড উন্নয়ন বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। মাজুলী জিলা সংহত আয়ুক্তৰ কাৰ্যালয়ত আজি এখন সংবাদ মেল অনুষ্ঠিত হয়। মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে আয়োজন কৰা সংবাদমেলখনত জিলা নিৰ্বাচনী বিষয়া, অতিৰিক্ত আৰক্ষী অধীক্ষকসহ জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। জিলাখনত বিধানসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে লোৱা ব্যৱস্থা আৰু পদক্ষেপ সমূহৰ বিষয়ে আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে উল্লেখ কৰে।

ইপিনে, যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়তো আয়ুক্ত জয় শিৱানীয়ে এখন সংবাদ মেলৰ আয়োজন কৰে। সংবাদ মেলত জিলা আয়ুক্তগৰাকীয়ে আসন্ন বিধানসভা নিৰ্বাচনৰ বিভিন্ন দিশ আৰু নিৰ্বাচনী আচৰণ বিধি সম্বন্ধীয় কেইবাটাও বিষয় উল্লেখ কৰে। এই সংবাদমেলত জিলা নিৰ্বাচনী বিষয়াৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। চৰাইদেউ জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষতো আয়ুক্ত ডাঃ নেহা যাদৱে জিলাখনত নিৰ্বাচন আচৰণ বিধি বলবৎ সম্বন্ধে সংবাদমেল সম্বোধন কৰে। জিলাখনৰ দুটা বিধানসভা সমষ্টিত নিৰ্বাচনী কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। জিলাখনৰ সোণাৰি বিধানসভা সমষ্টিত ২০৭টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু মাহমৰা বিধানসভা সমষ্টিত ১৮৪টা কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। জিলাখনত শান্তিপূৰ্ণ, স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসন সাজু বুলি আয়ুক্তগৰাকীয়ে উল্লেখ কৰে।

মৰিগাঁও জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া অনামিকা তিৱাৰীয়েও আজি এখন সংবাদ মেল সম্বোধন কৰি জিলাখনৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিষয়ে উল্লেখ কৰে। চিৰাং জিলাৰ দুটাকৈ বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সম্বন্ধে জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া গকুল চন্দ্ৰ ব্ৰহ্মই আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰি জিলাখনৰ বিধানসভা সমষ্টি দুটাৰ ভোটাদাতা, ভোটগ্ৰহণ কেন্দ্ৰৰ বিৱৰণ দিয়ে।

ধেমাজি জিলাত আজি আয়ুক্ত ৰাহুল সুৰেশ জাবিৰে বৈঠকৰ পাছত সংবাদমেলযোগে জিলাখনত শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতি গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। সংবাদমেলত জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই আইন শৃংখলা দিশত আৰক্ষী প্ৰশাসনে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে অৱগত কৰে।

গোলাঘাট জিলাতো জিলা আয়ুক্ত পূবালী গোঁহাই আৰু আৰক্ষী অধীক্ষক ৰাজেন সিঙে এখন সংবাদ মেল সম্বোধন কৰে। শ্ৰীভূমি জিলাতো নিৰ্বাচনী আৰ্হি আচৰণবিধি বলৱৎ হোৱাৰ লগে লগে জিলা প্ৰশাসনে নিৰ্বাচনী ব্যয় নিয়ন্ত্ৰণ, প্ৰচাৰ সামগ্ৰী প্ৰকাশ আৰু ৰাজনৈতিক প'ষ্টাৰ আঁতৰোৱাৰ ক্ষেত্ৰত কঠোৰ নিৰ্দেশনা জাৰি কৰিছে।

কামৰূপ জিলাত আজি আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এখন সংবাদজ মেল সম্বোধন কৰে। সংবাদমেলত আয়ুক্তগৰাকীয়ে জিলাখনৰ ছটা বিধানসভা সমষ্টি ৰঙিয়া, কমলপুৰ, হাজো-শুৱালকুছি, পলাশবাৰী, বকো-ছয়গাঁও আৰু ছমৰীয়া সমষ্টিৰ কাম-কাজ জিলা আয়ুক্তৰ ক্ৰাযালয়ৰ পৰা অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰে।

নলবাৰী জিলাৰ আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া নিবেদন দাস পাটোৱাৰীয়ে সংবাদমেলযোগে জিলাখনৰ তিনিটা বিধানসভা সমষ্টিৰ ভোটদাতা আৰু ভোটকেন্দ্ৰৰ তথ্য প্ৰকাশ কৰে। নলবাৰী জিলাৰ তিনিটা বিধানসভা সমষ্টিত ৬ লাখ ২৪ হাজাৰ ৩৯১গৰাকী ভোটদাতাই এইবাৰ ভোটদান কৰিব বুলি তেওঁ উল্লেখ কৰে। জিলাখনত মুঠ ৮২৫টা ভোটকেন্দ্ৰত ভোটদাতাই ভোটদান কৰিব পাৰিব। জিলাখনত ৮৫ বছৰ বয়সৰ উৰ্ধৰ এহেজাৰ ৮৯৬ গৰাকী ভোটদাতা আৰু ২ হাজাৰ ৮৩৭ গৰাকী বিশেষ ভাৱে সক্ষম ভোটদাতাৰ ভোটগ্ৰহণৰ বাবে বিশেষ বিশেষ ব্যৱস্থা কৰা হৈছে বুলিও উল্লেখ কৰে।

কোকৰাঝাৰৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া পংকজ চক্ৰৱৰ্তীয়ে আজি সংবাদমেলত স্বচ্ছ আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে জিলাখনত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিৰ্বাচনী আচৰণবিধি কঠোৰভাৱে মানি চলিবলৈ সকলো বিষয়াক নিৰ্দেশ দিয়া হৈছে বুলি উল্লেখ কৰে। জিলাখনত সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মনোনয়ন পত্ৰ সংগ্ৰহ কেন্দ্ৰৰ প্ৰস্তুতিৰ পৰ্যালোচনাৰ বাবে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আন এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত কোকৰাঝাৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ ৰিটাৰ্নিং বিষয়া আৰু সহযোগী ৰিটাৰ্নিং বিষয়াসকল উপস্থিত থাকে।

ooooo

আসন্ন বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ কেইবাখনো জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াক সাল-সলনি কৰা হৈছে। মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰূপে ছোমালিন শুভদৰ্শিনীক নিযুক্তি দিয়া হৈছে। আৰ. শীতল কুমাৰ দক্ষিণ শালমাৰা, অন্চল চৌহানক শদিয়া, সুধাকৰ সিঙক চিৰাং আৰু মোহন লাল মীনাক ধেমাজিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নিযুক্তি দিয়া হৈছে। কাইলৈ দিনৰ ১১ বজাৰ পূৰ্বে জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলক নিজৰ দায়িত্ব গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে চি পি আই এম দলে আজি দুটা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিছে। দলটোৱে এখন সংবাদমেলযোগে ভৱানীপুৰ সৰভোগ বিধানসভা সমষ্টিৰ বাবে মনোৰঞ্জনৰ তালুকদাৰক প্ৰাৰ্থিত্ব দিছে। আনহাতে গোৰেশ্বৰ সমষ্টিৰ বাবে বাপুৰাম বড়োক প্ৰাৰ্থিত্ব দিয়া হৈছে। উল্লেখযোগ্য যে বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ, অসম জাতীয় পৰিষদ, চি পি আই এম, এ পি এইছ এল চি আৰু চি পি আই এম এল দলৰ মাজত আসন বুজাবুজি সম্পন্ন হৈছে।

ইয়াৰ পূৰ্বে আম আদমী পাৰ্টীয়ে ১৪টা সমষ্টিৰ বাবে প্ৰথম আৰু চূড়ান্ত প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। কংগ্ৰেছে দলৰো দুখনকৈ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। এ আই ইউ ডি এফ দলে ৯জন প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। লগতে ৰাইজৰ দলেও ১১গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা ইতিমধ্যে প্ৰকাশ কৰিছে।

বিজেপিয়ে ১৮ মাৰ্চত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি বিজেপিৰ প্ৰাৰ্থীৰ তালিকাত বহুকেইখন নতুন মুখ থাকিব। বৰাকৰ ১০টা সমষ্টিত বিজেপিয়ে আৰু তিনিটা সমষ্টিত অগপই প্ৰতিদ্বন্দ্বিতা কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জনাইছে।

ooooo

ভাৰতৰ নিৰ্বাচন আয়োগে অসম বিধানসভা নিৰ্বাচনৰ বাবে অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া মনজিৎ সিঙক আজি বিশেষ পৰ্যবেক্ষক ৰূপে নিযুক্তি দিছে। বিষয়াগৰাকীয়ে অসমৰ নিৰ্বাচনৰ সমগ্ৰ দিশ পৰ্যবেক্ষণৰ লগতে সমষ্টিসমূহত নিৰ্বাচনী কাৰ্যকলাপৰ ওপৰত নজৰ ৰাখিব। ৰাজ্যিক নিৰ্বাচন আয়োগৰ সহযোগত তেওঁ বিধানসভা নিৰ্বাচনৰ পুংখানুপুংখভাৱে পৰ্যবেক্ষণ আৰু নিৰ্বাচনী বিধি উলংঘা বিষয়টো গুৰুত্ব সহকাৰে চোৱাচিতা কৰিব। এই সময়ছোৱাত কোনো লোকে নিৰ্বাচনী বিধি উলংঘাৰ চেষ্টা কৰিলে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

ooooo

২০২৫ বৰ্ষৰ সাহিত্য একাডেমী বঁটাসমূহ আজি ঘোষণা কৰা হৈছে। অসমীয়া ভাষাত দেৱব্ৰত দাসে কড়ি খেলাৰ সাধু উপন্যাসৰ বাবে এই বঁটা লাভ কৰিছে। জনপ্ৰিয় অসমীয়া গল্পকাৰ, ঔপন্যাসীক আৰু স্তম্ভলেখক শ্ৰী দাসৰ হিয়াৰ পখিলাবোৰ শীৰ্ষক স্তম্ভ লেখাই এসময়ত বিপুল জনপ্ৰিয়তা অৰ্জন কৰিছিল। ১৯৮৮ প্ৰথমখন গল্প সংকলন **অৰ্পিতাৰ এৰাতি** প্ৰকাশ পোৱা লেখকগৰাকীৰ পাঁচখন উপন্যাস, কেইবাখনো গল্প সংকলন আৰু উপন্যাসিকা সংকলন প্ৰকাশ পাইছে। আজি বঁটা লাভ কৰি পঢ়ুৱৈসকলক তেওঁ কৃতজ্ঞতা জ্ঞাপন কৰে।

(বাইট ঃ দাস)

বড়ো ভাষাত সাহাইছুলি ব্ৰহ্মই দৌংনুৰি লামা মৌন্‌চে গঠীন উপন্যাসৰ বাবে এই বঁটা লাভ কৰিছে। কোকৰাঝাৰৰ গুৱাবাৰীৰ বাসিন্দা ব্ৰহ্মৰ ৯খন গ্ৰন্থ প্ৰকাশ পাইছে। বঁটা লাভ কৰি সাহিত্যিকগৰাকীয়ে এইদৰে মনৰ ভাব প্ৰকাশ কৰে।

(বাইট ঃ ব্ৰহ্ম)

মণিপুৰী ভাষাত হাওবাম নলিনীয়ে কাংলামদ্ৰিবা ইফ'ত নামৰ চুটিগল্প সংকলনৰ বাবে আৰু বাংলা ভাষাত প্ৰসূন বন্দোপধ্যায়ে শ্ৰেষ্ঠ কবিতা শীৰ্ষক কাব্যগ্ৰন্থৰ বাবে এই বঁটা লাভ কৰিছে।

০০০০০

চৰাইদেউ জিলাত ৰন্ধন গেছৰ চিলিণ্ডাৰৰ নাটনি হোৱা বুলি প্ৰচাৰিত বাতৰি সম্পূৰ্ণ ভিত্তিহীন বুলি জিলা প্ৰশাসনে স্পষ্ট কৰি দিছে। একাংশ লোকে প্ৰচাৰ কৰা এনে উৰাবাতৰিয়ে জনসাধাৰণৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে বুলি প্ৰকাশ কৰি এনে বাতৰিত পতিয়ন নাযাবলৈ জিলা আয়ুক্ত ডাঃ নেহা যাদৱে জনসাধাৰণক আহ্বান জনাইছে। তেওঁ কয়, যে জিলাখনত সম্প্ৰতি ৰন্ধন গেছৰ যোগান স্বাভাৱিক অৱস্থাত আছে আৰু নাটনিৰ কোনো আশংকা নাই। চৰকাৰী নিয়ম অনুসৰি এজন গ্ৰাহকে চিলিণ্ডাৰ এটা গ্ৰহণ কৰাৰ ২৫ দিন পাছতহে পৰৱৰ্তী চিলিণ্ডাৰটো বুক কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। কোনো গেছ বিতৰকে চিলিণ্ডাৰ জমা ৰাখি কৃত্ৰিম নাটনিৰ সৃষ্টি কৰিলে অথবা নিৰ্ধাৰিত মূল্যতকৈ অধিক ধন দাবী কৰিলে তেনে লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমতী যাদৱে জনসাধাৰণক আতংকিত হৈ প্ৰয়োজনতকৈ অধিক চিলিণ্ডাৰ বুক নকৰিবলৈ আহ্বান জনায়।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা মধ্য প্ৰদেশৰ কানহা ৰাষ্ট্ৰীয় উদ্যানলৈ ৫০ টা বনৰীয়া ম'হ স্থানান্তৰ কৰাৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই প্ৰক্ৰিয়া আৰম্ভ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৰ্তমান প্ৰায় তিনি হাজাৰ বনৰীয়া ম'হ আছে। ইয়াৰে ৫০ টা ম'হ স্থানান্তৰ কৰাৰ বাবে মধ্য প্ৰদেশ চৰকাৰৰ প্ৰস্তাৱ মৰ্মে বন আৰু পৰিৱেশ মন্ত্ৰালয়, ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধিকৰণ আৰু প্ৰধান মুখ্য বন সংৰক্ষকৰ অনুমোদন উদ্যান কৰ্তৃপক্ষই লাভ কৰিছে। প্ৰথম পৰ্যায়ত কঁহৰা বনাঞ্চলত বিচৰণ কৰা এটা জাকৰ পৰা ১৫ টা ম'হ প্ৰেৰণৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

ৰাজ্যসভাৰ মনোনীত সাংসদ ৰঞ্জন গগৈৰ কাৰ্যকাল সমাপ্ত হোৱাৰ পৰিপ্ৰেক্ষিতত উচ্চ সদনে আজি তেওঁক বিদায় সম্ভাষণ জ্ঞাপন কৰে। দিনৰ ১১ বজাত সদনৰ কাম-কাজ আৰম্ভ হোৱা সময়তে সভাপতি চি পি ৰাধাকৃষ্ণণে এই বিষয়ে ঘোষণা কৰে। তেওঁ কয় যে দেশৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ শ্ৰীগগৈয়ে ৰাষ্ট্ৰপতিৰ মনোনয়নৰ জৰিয়তে ২০২০ বৰ্ষৰ মাৰ্চত ৰাজ্যসভাৰ সদস্যপদ গ্ৰহণ কৰিছিল। এগৰাকী প্ৰতিষ্ঠিত ন্যায়াধীশ হিচাপে ৰঞ্জন গগৈয়ে ৰাজ্যসভাত ন্যায়িক দিশৰ পৰা সুক্ষ্ম দৃষ্টি তথা অভিজ্ঞতাৰ প্ৰতিফলন ঘটাইছিল বুলি উল্লেখ কৰি তেওঁ কয় যে বিদায়ী সাংসদগৰাকীৰ অংশগ্ৰহণৰ ফলত ৰাজ্যসভাত ৰাজহুৱা স্বাৰ্থজড়িত বিষয়ৰ ক্ষেত্ৰত তেওঁৰ গভীৰ উপলব্ধি তথা অন্তৰ্দৃষ্টি পৰিলক্ষিত হৈছে। শ্ৰীগগৈয়ে তেওঁৰ সফলতাৰে পূৰ্ণ কৰ্মজীৱনত প্ৰদৰ্শন কৰি অহাৰ লেখিয়াকৈ একে ধৰণৰ নিষ্ঠা আৰু সমৰ্পন তথা সেৱাৰ মনোভাৱেৰে অনাগত সময়ত দেশৰ প্ৰতি অৱদান আগবঢ়াই যাব বুলি শ্ৰীৰাধাকৃষ্ণণে আশা প্ৰকাশ কৰে।

০০০০০

সমাপ্ত